RERA Assam Chairperson leads an interactive stakeholder session to strengthen regulatory compliance across Nagaon District (08-08-2025)

# RERA Assam Chairman Pawan Borthakur Emphasizes Regulatory Compliance in Nagaon Stakeholder Meet



**Safiqur Rahman, Staff Reporter, Nagaon, Aug 8:** In a significant move to strengthen real estate governance in Assam, Pawan Borthakur, Chairman of the Real Estate Regulatory Authority (RERA), Assam, and former Chief Secretary of the state, visited Nagaon today to engage with key stakeholders on the importance of regulatory compliance under the Real Estate (Regulation and Development) Act.

Held at the conference hall of the District Commissioner's office, the meeting brought together officials from the municipal bodies, urban development authorities, and revenue circles of Nagaon district. District Commissioner Debashish Sharma, IAS, warmly welcomed ***Contd to PG 11.***

the Chairman and outlined the objectives of the session.

During the meeting, Shri Borthakur highlighted RERA's pivotal role in driving economic growth and ensuring transparency in the real estate sector. He elaborated on the provisions of the RERA Act, stressing that registration of ongoing and upcoming projects with the authority is mandatory for all builders and developers.

He also urged municipal authorities to exercise vigilance while issuing No Objection Certificates (NOC) and Occupancy Certificates, ensuring that these are granted only after thorough scrutiny. The Chairman cautioned that violations of RERA norms could attract legal consequences under the relevant sections of Indian law.

Importantly, he advised prospective buyers to verify RERA registration before investing in any real estate project, noting that quality assurance in construction directly contributes to the overall development standards of a city.

The meeting was attended by Additional Deputy Commissioner Smt. Debahuti Bora, revenue circle officers, executive officers from Dhing, Kampur, Raha, and Nagaon municipalities, as well as representatives from the district's urhan development authority.

This initiative was officially informed by Mandira Chayengia, District Information and Public Relations Officer, Nagaon.

The Assam Post- 09-08-2026

# নগাঁৱত ৰিয়েল ইষ্টেট ৰেগুলেটৰী অথৰিটি অসমৰ অধ্যক্ষ পৱন বৰঠাকুৰ

ষ্টাফ ৰিপৰ্টাৰ, নগাঁও, ৮ আগষ্ট ঃ অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব তথা ৰিয়েল ইষ্টেট ৰেগুলেটৰী অথৰিটি (আৰ.ই.আৰ.এ) অসমৰ অধ্যক্ষ পৱন বৰঠাকুৰ আজি নগাঁৱত উপস্থিত হৈ জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভা কক্ষত পৌৰসভাৰ কাৰ্যবাহী বিষয়া, নগৰ উন্নয়ন প্ৰাধিকৰণৰ কৰ্তৃপক্ষ আৰু জিলাখনৰ ৰাজহ চক্ৰ বিষয়াসকলৰ লগত আৰ.ই.আৰ.এ ৰ সন্দৰ্ভত এখনি বৈঠকত মিলিত হয়। জিলা আয়ুক্ত দেবাশীষ শৰ্মাই অধ্যক্ষ গৰাকীক উষ্ম আদৰণি জনাই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে। বৈঠকত অধ্যক্ষ গৰাকীয়ে কয় যে, দেশৰ অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত আৰ.ই.আৰ.এ এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ৰিয়েল ইষ্টেট ৰেগুলেচন এণ্ড ডেভলপমেণ্ট আইন সম্পৰ্কে বৈঠকত উপস্থিত সকলোকে তেওঁ বিশদভাৱে অৱগত কৰে। বৰঠাকুৰে লগতে উল্লেখ কৰে যে, নিৰ্মান প্ৰতিষ্ঠান সমূহে তেওঁলোকৰ ব্যৱসায়িক ভাৱে নিৰ্মানৰত প্ৰকল্প সমূহৰ ক্ষেত্ৰত আৰ.ই.আৰ.এ. ত পঞ্জীয়ন কৰাটো বাধ্যতামূলক। অধ্যক্ষ গৰাকীয়ে নিৰ্মাণকাৰী সংস্থা সমূহৰ লগতে জনসাধাৰণক আপত্তিবিহীন প্ৰমাণ পত্ৰ (NOC) আৰু অকোপেচন চাৰ্টিফিকেট (Occupancy Certificate)প্ৰদানৰ ক্ষেত্ৰত পৌৰসভাৰ কৰ্তৃপক্ষক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। আৰ.ই.আৰ.এ. ৰ পঞ্জীয়ন তথা ইয়াৰ নিয়মাৱলী উলংঘা কৰিলে ভাৰতীয় আইনে নিৰ্ধাৰণ কৰি দিয়া ধাৰা সমূহৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। ক্ৰেতা সকলক কোনো প্ৰকল্প ক্ৰয় কৰাৰ সময়ত আৰ.ই.আৰ.এ.ৰ পঞ্জীয়ন আছেনে তাক নিশ্চিত হোৱাটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বৰঠাকুৰে উল্লেখ কৰে যে, প্ৰকল্পৰ গুণগত মান উন্নয়নে এখন চহৰৰ মাপদণ্ড উন্নত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বৈঠকত জিলা অতিৰিক্ত আয়ুক্ত শ দেৱাহুতি বৰা, জিলাৰ ৰাজহ চক্ৰ বিষয়াসকল, ধিং, কামপুৰ, ৰহা আৰু নগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল আৰু জিলা উন্নয়ন প্ৰাধিকৰণ কৰ্তৃপক্ষৰ বিষয়াসকল উপস্থিত থাকে।